অসম লোকসেৱা আয়োগ
ASSAM PUBLIC SERVICE COMMISSION
Jawaharnagar, Khanapara, Guwahati-781 022

অসম লোকসেৱা আয়োগৰ কাৰ্যালয়ত বাহন চালক (ড্ৰাইভাৰ)

## নিৰ্দেশনা

প্ৰাৰ্থীসকলক নিম্নলিখিত নিৰ্দেশনাসমূহ ভালদৰে পঢ়ি চাবলৈ জনোৱা হ'ল।

১) প্ৰাৰ্থীসকলে নিজৰ নিজৰ পৰীক্ষাকেন্দ্ৰৰ নাম আৰু তাৰিখ সম্বলিত ই-এডমিচন চাৰ্টিফিকেট পৰীক্ষাকেন্দ্ৰলৈ আনিব লাগিব। ই-এডমিচন চাৰ্টিফিকেট অবিহনে পৰীক্ষাকেন্দ্ৰত প্ৰবেশ কৰিবলৈ দিয়া নহ'ব।

২) মাস্ক পৰিধান কৰাটো বাধ্যতামূলক। মাস্ক অবিহনে পৰীক্ষাকেন্দ্ৰত প্ৰবেশ কৰিবলৈ দিয়া নহ'ব।

৩) প্ৰাৰ্থীসকল পৰীক্ষা আৰম্ভ হোৱাৰ ১ ঘণ্টাৰ আগতে পৰীক্ষাকেন্দ্ৰত উপস্থিত হ'ব লাগিব।

৪) পৰীক্ষা আৰম্ভ হোৱাৰ উল্লেখিত সময়ৰ ৩০ মিনিট আগতে প্ৰাৰ্থীসকলক পৰীক্ষাগৃহত প্ৰৱেশ কৰিবলৈ অনুমতি দিয়া হ'ব ।

৫) পৰীক্ষা আৰম্ভ হোৱাৰ ২০ মিনিটৰ পিছত কোনো পৰীক্ষাৰ্থীক পৰীক্ষাগৃহত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব।

৬) পৰীক্ষাৰ্থীসকলে পৰীক্ষাকেন্দ্ৰলৈ কেৱল নীলা/ক'লা বল পেন আনিব পাৰিব। আন আন সামগ্ৰী যেনে – পেঞ্চিল, জেল পেন, জ্যামিতি বাকচ, পানীৰ বটল, কিতাপ, কাগজ ইত্যাদি পৰীক্ষাগৃহলৈ আনিব নোৱাৰিব। আন কোনো ধৰণৰ কলম/পেঞ্চিল/জেল পেন আদি পৰীক্ষাৰ উত্তৰ বহীত ব্যৱহাৰ কৰিব নোৱাৰিব, অন্যথা তেওঁ/তেওঁলোকৰ উত্তৰ বহী মূল্যায়ন কৰা নহ'ব।

৭) পৰীক্ষাকেন্দ্ৰলৈ কোনোধৰণৰ বেগ, মোবাইল ফোন ইত্যাদি লগত লৈ নাহিবৰ বাবে কোৱা হ'ল।

৮) পৰীক্ষাগৃহৰ ভিতৰত কোনো পৰীক্ষাৰ্থীৰ লগত মোবাইল ফোন, ইলেক্ট্ৰনিক/স্মাৰ্ট ঘড়ী, কেলকুলেটৰ, ব্লুটুথ সম্বলিত যতন, কেমেৰা, পেনড্ৰাইভ আৰু আন আন ইলেক্ট্ৰনিক সামগ্ৰী প্ৰাপ্ত হলে তেনে পৰীক্ষাৰ্থীক অসাধু উপায় অবলম্বন কৰা বুলি ধৰা হ'ব। উক্ত প্ৰাৰ্থীক/সকলক পৰীক্ষাৰ পৰা বহিষ্কাৰো কৰা হ'ব পাৰে। পৰীক্ষাৰ্থীসকলে কেৱল এনালগ ঘড়ীহে ব্যৱহাৰ কৰিব পাৰিব।

৯) পৰীক্ষাৰ্থীসকলে তেওঁলোকৰ ই-এডমিচন চাৰ্টিফিকেটত উল্লেখ থকা পৰীক্ষাকেন্দ্ৰৰ নাম তথা ৰোল নং ইত্যাদি প্ৰশ্ন তথা উত্তৰ বহীৰ যথাস্থানত শুদ্ধভাৱে লিখিব লাগিব। অন্যথা তেনে উত্তৰবহী মূল্যায়ন কৰা নহ'ব।

১০) পৰীক্ষাৰ্থীসকলে প্ৰশ্ন তথা উত্তৰ বহী পোৱা মাত্ৰকে তাত সঠিক সংখ্যক পৃষ্ঠাৰ উপস্থিতি সম্পৰ্কে নিশ্চিত হ'ব লাগিব। যদি উক্ত বহীত কোনো পৃষ্ঠা নাথাকে তেন্তে সেয়া অনতিপলমে নিৰীক্ষকৰ দৃষ্টিগোচৰ কৰিব লাগিব।

১১) প্ৰশ্ন তথা উত্তৰ বহীৰ বেটুপাতত থকা সূচনাসমূহ প্ৰাৰ্থীসকলকে ভালদৰে পঢ়ি চাব।

১২) প্ৰতিটো ভুল উত্তৰৰ বাবদ এক নম্বৰৰ বিপৰীতে ০.২৫ নম্বৰ কৰ্তন হ'ব।

১৩) পৰীক্ষাগৃহত আন পৰীক্ষাৰ্থীৰ পৰা প্ৰতিলিপি কৰা, কথোপকথনত লিপ্ত হোৱা বা আন কোনো অসাধু উপায় অবলম্বন কৰা আদি দৃষ্টিগোচৰ হ'লে তেনে পৰীক্ষাৰ্থীক অযোগ্য বুলি ধৰা হ'ব।

১৪) পৰীক্ষা আৰম্ভ হোৱাৰ প্ৰথম ৩০ মিনিট আৰু শেষৰ ৩০ মিনিটত কোনো পৰীক্ষাৰ্থীক প্ৰস্বাবগাৰলৈ যাবলৈ দিয়া নহ'ব। প্ৰতিজন পৰীক্ষাৰ্থীক সৰ্বোচ্চ ১৫ মিনিটৰ বাবে প্ৰস্বাবগাৰলৈ যাবলৈ দিয়া হ'ব। যদি কোনো পৰীক্ষাৰ্থী নিৰ্ধাৰিত সময়ৰ ভিতৰত পৰীক্ষাগৃহলৈ উভতি অহাত ব্যৰ্থ হয় তেন্তে তেওঁক অযোগ্য বুলি ধৰা হ'ব।

১৫) পৰীক্ষা শেষ নোহোৱা পৰ্যন্ত কোনো পৰীক্ষাৰ্থীক পৰীক্ষাগৃহৰ পৰা যাবলৈ দিয়া নহ'ব।

১৬) পৰীক্ষাৰ্থীসকলে পৰীক্ষাগৃহ এৰাৰ আগতে তেওঁলোকৰ উত্তৰ বহীসমূহ দায়িত্বত থকা নিৰীক্ষকক জমা দিহে যাব পাৰিব।

মুখ্য পৰীক্ষা নিয়ন্ত্ৰক,
অসম লোকসেৱা আয়োগ,
খানাপাৰা, গুৱাহাটী -২২